**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 12-11-2025
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

**::::::::::::::::::**

০০০০০

১। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে দিল্লী বিস্ফোৰণৰ ঘটনাৰ সৈতে জড়িত প্ৰতিগৰাকীয়ে তদন্তকাৰী সংস্থাৰ সন্মুখীন হ'ব লাগিব বুলি মন্তব্য কৰিছে।

২। নিৰাপত্তা সংস্থাসমূহে দিল্লী তথা ৰাষ্ট্ৰীয় ৰাজধানী ক্ষেত্ৰ আৰু পুলৱামাৰ বিভিন্ন অঞ্চলত অভিযান চলাই বৃহৎ পৰিমাণৰ বিস্ফোৰক সামগ্ৰী উদ্ধাৰ কৰিছে।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি থিম্ফুত ভূটানৰ ৰজা জিগমে খেছৰ নামগিয়াল ৱাংছুকৰ সৈতে দুয়োখন দেশৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্ক অধিক সুদৃঢ় কৰাৰ উদ্দেশ্যে বৈঠকত মিলিত হয়।

৪। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি বটছ'ৱানাৰ ৰাষ্ট্ৰপতি ডুমা বকোৰ সৈতে দ্বিপাক্ষিক বাৰ্তালাপত মিলিত হ'ব। ***আৰু***

৫। বিহাৰ বিধানসভা নিৰ্বাচন ইতিহাসৰ সৰ্বাধিক ৬৬ দশমিক ৯-১ শতাংশ ভোটদানেৰে কালি সামৰণি পৰে।

০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে দিল্লী বিস্ফোৰণৰ ঘটনাৰ সৈতে জড়িত প্ৰতিগৰাকীয়ে তদন্তকাৰী সংস্থাৰ সন্মুখীন হ'ব লাগিব বুলি মন্তব্য কৰিছে। নতুন দিল্লীত কালি তেওঁ লালকিল্লাৰ সমীপত সোমবাৰে হোৱা গাড়ী বোমা বিস্ফোৰণৰ পাছৰ পৰিস্থিতিৰ পৰ্যালোচনা কৰাৰ উদ্দেশ্যে জ্যেষ্ঠ বিষয়াসকলৰ সৈতে এখন উচ্চস্তৰীয় নিৰাপত্তা বৈঠকত অধ্যক্ষতা কৰে। গৃহ মন্ত্ৰীগৰাকীয়ে দিল্লী বিস্ফোৰণৰ ঘটনাৰ সৈতে জড়িত প্ৰতিগৰাকী অপৰাধীকে বিচাৰি উলিয়াই কঠোৰ শাস্তি বিহিবলৈ বিষয়াসকলক নিৰ্দেশ দিয়ে। বৈঠকত কেন্দ্ৰীয় গৃহ সচিব, চোৰাংচোৱা সংস্থাৰ সঞ্চালক, দিল্লীৰ আৰক্ষী আয়ুক্ত আৰু ৰাষ্ট্ৰীয় তদন্তকাৰী সংস্থাৰ সঞ্চালকপ্ৰধানে অংশগ্ৰহণ কৰে। জম্মু-কাশ্মীৰ আৰক্ষীৰ সঞ্চালক প্ৰধানেও ভাৰ্চুৱেল ব্যৱস্থাৰে এই বৈঠকত অংশগ্ৰহণ কৰে।

এই সন্দৰ্ভত হোৱা আন এখন বৈঠকত কেন্দ্ৰীয় গৃহ সচিবৰ লগতে চোৰাংচোৱা সংস্থাৰ সঞ্চালক, ৰাষ্ট্ৰীয় তদন্তকাৰী সংস্থাৰ সঞ্চালক, ফৰেনচিক বিজ্ঞান সেৱাৰ সঞ্চালক, এন এছ জিৰ সঞ্চালকপ্ৰধান, দিল্লী ফৰেনচিক বিজ্ঞান পৰীক্ষাগাৰৰ মুখ্য সঞ্চালককে ধৰি অন্যান্য জ্যেষ্ঠ বিষয়াসকলে ভাগ লয়। গৃহ মন্ত্ৰালয়ে ইতিমধ্যে ৰাষ্ট্ৰীয় তদন্তকাৰী সংস্থা এন আই এক বিস্ফোৰণৰ ঘটনাৰ তদন্তৰ দায়িত্ব অৰ্পণ কৰিছে। মহানগৰখনৰ সকলো স্পৰ্শকাতৰ এলেকাতে নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে। বিস্ফোৰণৰ কাৰণ উদ্ঘাটন কৰাৰ লগতে জনসাধাৰণৰ সুৰক্ষা সুনিশ্চিত কৰাৰ ক্ষেত্ৰত প্ৰশাসনে বিশেষ গুৰুত্ব আৰোপ কৰিছে। দিল্লী আৰক্ষীয়ে বেআইনী কাৰ্যকলাপ প্ৰতিৰোধ আইন, বিস্ফোৰক আইন আৰু ভাৰতীয় ন্যায় সংহিতাৰ কেইবাটাও ধাৰাৰ অধীনত এই সন্দৰ্ভত গোচৰ ৰুজু কৰিছে। নিৰাপত্তাজনিত কাৰণত লালকিল্লা

মেট্ৰ' ষ্টেচন বন্ধ থাকিব যদিও আন আন ষ্টেচনসমূহত যাতায়াত স্বাভাৱিক থাকিব বুলি দিল্লী মেট্ৰ' ৰে'ল নিগমে প্ৰকাশ কৰিছে। কাইলৈ লৈকে লালকিল্লাও দৰ্শনাৰ্থীসকলৰ বাবে বন্ধ ৰখা হ'ব।

০০০০০

নিৰাপত্তা সংস্থাসমূহে দিল্লী তথা ৰাষ্ট্ৰীয় ৰাজধানী ক্ষেত্ৰ আৰু পুলৱামাৰ বিভিন্ন অঞ্চলত অভিযান চলাই বৃহৎ পৰিমাণৰ বিস্ফোৰক সামগ্ৰী উদ্ধাৰ কৰিছে। সূত্ৰসমূহে প্ৰকাশ কৰা অনুসৰি যোৱা ৯ আৰু ১০ তাৰিখে হাৰিয়ানাৰ ফৰিদাবাদত চলোৱা অভিযানকালত নিৰাপত্তা সংস্থাসমূহে ডিট'নেটৰ, টাইমাৰ আৰু বোমা বনোৱা বিভিন্ন সামগ্ৰীসহ প্ৰায় ৩ হাজাৰ কিলোগ্ৰাম বিস্ফোৰক সামগ্ৰী জব্দ কৰিছিল। ইয়াৰ পৰিপ্ৰেক্ষিতত তীব্ৰ মানসিক চাপত পৰি সন্দেহজনক অপৰাধীয়ে দিল্লী বিস্ফোৰণ কাণ্ড সংঘটিত কৰে বুলি আশংকা কৰা হৈছে। নিৰাপত্তা সংস্থাসমূহে অপৰাধীক কৰায়ত্ত কৰাৰ বাবে বিভিন্ন অঞ্চলত চলোৱা অভিযানৰ ফলত তেওঁলোকৰ মনত ভয় আৰু হতাশাৰ সৃষ্টি হৈছিল বুলি ধাৰণা কৰা হৈছে। বিস্ফোৰণ হোৱা বোমাটো সম্পূৰ্ণৰূপে বিকশিত হোৱা নাছিল, যাৰ ফলত ক্ষয়-ক্ষতিৰ পৰিমাণ তুলনামূলকভাৱে কম হোৱা বুলিও সূত্ৰসমূহে লগতে প্ৰকাশ কৰিছে। সূত্ৰসমূহে লগতে সমগ্ৰ দেশতে চলোৱা সতৰ্কতা আৰু সন্দেহজনক কাৰ্যসূচীৰ বিৰুদ্ধে চলা অভিযানৰ বাবে এটা বৃহৎ আক্ৰমণৰ পৰা হাত সাৰিব পৰা গ'ল বুলি প্ৰকাশ কৰিছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি থিম্ফুত ভূটানৰ ৰজা জিগমে খেছৰ নামগিয়াল ৱাংছুকৰ সৈতে বৈঠকত মিলিত হয়। এই বৈঠকত দুয়োগৰাকী নেতাই দ্বিপাক্ষিক সম্পৰ্ক অধিক সুদৃঢ় কৰাত গুৰুত্ব আৰোপ কৰে। পাৰস্পৰিক স্বাৰ্থজড়িত আঞ্চলিক আৰু গোলকীয় বিষয়সমূহ সন্দৰ্ভতো বৈঠকত আলোচনা কৰা হয়। দুয়োগৰাকী নেতাই যৌথভাৱে এহেজাৰ ২০ মেগাৱাট ক্ষমতাসম্পন্ন পুনাটছাংচু-২ জলবিদ্যুৎ প্ৰকল্প উদ্বোধন কৰে। দ্বিপাক্ষিক সহযোগিতা আৰু অধিক সুদৃঢ় কৰাৰ উদ্দেশ্যে নৱীকৰণযোগ্য শক্তি, মানসিক স্বাস্থ্য আৰু স্বাস্থ্য সেৱাৰ লগত জড়িত তিনিখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে। দুয়োখন দেশৰ মাজৰ শক্তিৰ সহযোগিতা আৰু অধিক সুদৃঢ় কৰাৰ উদ্দেশ্যে এহেজাৰ ২০০ মেগাৱাট ক্ষমতাসম্পন্ন পুনাটছাংচু-১ জলবিদ্যুৎ প্ৰকল্পৰ কাম পুনৰ আৰম্ভ কৰাৰ বাবেও আলোচনা কৰা হয়। দক্ষিণ ভূটানৰ গেলেফু মাইণ্ডফুলনেছ চহৰৰ সমীপৰ হাতীছাৰত প্ৰব্ৰজন নিৰীক্ষণ চকী স্থাপনৰ বাবেও বৈঠকত সিদ্ধান্ত গ্ৰহণ কৰা হয়। ইয়াৰ ফলত এই স্থানলৈ পৰ্যটকৰ আগমন হ'ব বুলি আশা কৰা হৈছে। অসমৰ কোকৰাঝাৰক গেলেফু মাইণ্ডফুলনেছ চহৰলৈ ৰে'লেৰে সংযোগ কৰাৰ বাবে আলোচনা কৰা হয়। নিশা প্ৰধানমন্ত্ৰীগৰাকীয়ে ৰাজকীয় ভোজনতো অংশগ্ৰহণ কৰে।  উল্লেখযোগ্য যে নতুন দিল্লীলৈ ৰাওনা হোৱাৰ পূৰ্বে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কালচক্ৰ অনুষ্ঠানত উপস্থিত থাকিব।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি গেব'ৰ'ণত বটছ'ৱানাৰ ৰাষ্ট্ৰপতি ডুমা বকোৰ সৈতে দ্বিপাক্ষিক বিষয়ত বাৰ্তালাপ কৰিব। দুয়োগৰাকী ৰাষ্ট্ৰপতিয়ে দেশ দুখনৰ মাজত বাণিজ্য, বিনিয়োগ, প্ৰযুক্তি, শক্তি, কৃষি, স্বাস্থ্য, ফাৰ্মাচিউটিকেল, প্ৰতিৰক্ষা আৰু জনসাধাৰণৰ মাজত পাৰস্পৰিক সম্পৰ্ক আদি একাধিক বিষয় সন্দৰ্ভত আলোচনা কৰিব। ভাৰত আৰু বটছ'ৱানাৰ সম্পৰ্ক গণতান্ত্ৰিক মূল্যবোধ, পাৰস্পৰিক সন্মান আৰু বিভিন্ন খণ্ডত ঘনিষ্ঠ সহযোগিতাৰে বান্ধ খাই আছে। দক্ষতা বৃদ্ধি দুয়োখন ৰাষ্ট্ৰৰ মাজৰ অংশীদাৰিত্বৰ এটা অতি শক্তিশালী স্তম্ভ। বিগত ১০টা বছৰত প্ৰায় ৭৫০ জন বিভিন্ন বৃত্তিৰ লোক, শিক্ষাৰ্থী, জোৱান আৰু

অসামৰিক সেৱাৰ বিষয়াই ভাৰতত প্ৰশিক্ষণ লাভ কৰিছে। দুয়োখন ৰাষ্ট্ৰৰ মাজৰ বাণিজ্যিক সম্পৰ্ক বিশেষকৈ বিভিন্ন ৰত্ন আৰু হীৰা খণ্ডৰ ব্যৱসায়ে প্ৰাধান্য লাভ কৰি আহিছে। ভাৰতে সম্প্ৰতি এই ব্যৱসায় অন্যান্য খণ্ডলৈ প্ৰসাৰিত কৰাৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব আৰোপ কৰিছে। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে দেশখনৰ সংসদত ভাষণ দিয়াৰ লগতে ভাৰতীয় সম্প্ৰদায়ৰ লোকসকলৰ সৈতেও মত বিনিময় কৰিব। তেওঁ দেশখনৰ বিভিন্ন ঐতিহাসিক স্থানো পৰিদৰ্শন কৰিব। কালি সন্ধিয়া এংগোলা ভ্ৰমণ সামৰি ৰাষ্ট্ৰপতীগৰাকী বটছ্'ৱানাত উপস্থিত হয়। তেওঁৰ উপস্থিতিত বিমান বন্দৰত আদৰণি জনাই ২১টা টোপ ধবনিৰে সন্মান জনোৱাৰ লগতে গাৰ্ড অৱ অনাৰ প্ৰদৰ্শন কৰা হয়।

০০০০০

আজি জনসেৱা সম্প্ৰচাৰ দিৱস। আজিৰ দিনটোতেই আকাশবাণী যোগে জাতিৰ পিতা মহাত্মা গান্ধীয়ে ঐতিহাসিক ভাষণ প্ৰদান কৰাৰ লগত সংগতি ৰাখি প্ৰতি বছৰে নৱেম্বৰ মাহৰ ১২ তাৰিখে এই দিৱস পালন কৰা হয়। মহাত্মা গান্ধীয়ে ১৯৪৭ চনৰ আজিৰ দিনটোতে আকাশবাণীৰ নতুন দিল্লীৰ কেন্দ্ৰটো প্ৰথমবাৰ ভ্ৰমণ কৰিছিল। এই ভ্ৰমণৰ সময়ত তেওঁক স্বাধীনতা সংগ্ৰামী ৰাজকুমাৰী অমৃত কৌৰে সংগ দিছিল। প্ৰথমতে গান্ধীয়ে ৰেডিঅ'ত কথা ক'বলৈ দ্বিধাবোধ কৰিছিল, কিয়নো ইয়াৰ পূৰ্বে তেওঁ ঘূৰণীয়া মেজ মেলৰ সময়ত মাত্ৰ এবাৰহে ৰেডিঅত সম্বোধন কৰিছিল। অৱশ্যে ঘনশ্যাম দাস বিৰলাৰ পৰামৰ্শমতে পিছত তেওঁ ভাষণ দিবলৈ সন্মত হয়। মহাত্মা গান্ধীয়ে ৰেডিঅ'ক অলৌকিক শক্তিৰ উদাহৰণ হিচাপে অভিহিত কৰাৰ বুলি বাতৰি কাকতত প্ৰকাশ পাইছিল। ২০০০ চনত তেতিয়াৰ কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী সুষমা স্বৰাজে ঘোষণা কৰিছিল যে প্ৰতি বছৰে ১২ নৱেম্বৰৰ দিনটো জনসেৱা সম্প্ৰচাৰ দিৱস হিচাপে পালন কৰা হ'ব। তেতিয়াৰ পৰাই আকাশবাণীয়ে প্ৰতি বছৰে বিশেষ অনুষ্ঠানেৰে এই দিৱস উদযাপন কৰি আহিছে।

২০২৩ চনৰ মাৰ্চ মাহত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে 'মন কি বাত'ৰ ১০০ সংখ্যক খণ্ডত মহাত্মা গান্ধীয়ে ঐতিহাসিক বাৰ্তা প্ৰদান কৰা আকাশবাণীৰ ষ্টুডিঅ'টোক 'বাপু ষ্টুডিঅ' নামেৰে অভিহিত কৰে।

জনসেৱা সম্প্ৰচাৰ দিৱসে সম্প্ৰচাৰৰ সৈতে জড়িত ব্যক্তিসকলক জাতিৰ পিতা মহাত্মা গান্ধীৰ আদৰ্শ আৰু শিক্ষাক দেশৰ প্ৰতিটো কোণলৈ আগবঢ়াই নিবলৈ অনুপ্ৰাণিত কৰে।

০০০০০

সমাপ্ত